জাতি, মাটি আৰু দেশৰ সেৱাত

দৈনন্দিন বাৰ্তা

৩
3

২৮ এপ্ৰিল ২০২৬ ■ মঙলবাৰ ■ ১৪ ব’হাগ, ১৯৪৮ শক

ভাৰত চৰকাৰৰ সাংস্কৃতিক সম্পদ, প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ দ্বাৰা অনুষ্ঠিত বাছনি পৰীক্ষাত লোক গীত (জিকিৰ) শাখাত বৃত্তিৰ বাবে নিৰ্বাচিত

নাজিৰাৰ নৱম শ্ৰেণীৰ ছাত্ৰী চৈয়দা নাবিহা ৰহমানৰ সাফল্য

দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ২৭ এপ্ৰিল ঃ নাজিৰা টাউনৰ নিৱাসী চৈয়দ মুইনুৰ ৰহমান আৰু চৈয়দা নাফিয়া হকৰ একমাত্ৰ কন্যা, নাজিৰাৰ মৰ্কজ একাদেমীৰ নৱমমান শ্ৰেণীৰ ছাত্ৰী চৈয়দা নাবিহা ৰহমানৰ সাফল্য। ভাৰত চৰকাৰৰ সাংস্কৃতিক সম্পদ আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ দ্বাৰা ১০-১৪ বছৰৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ২৫ অক্টোবৰ ২০২৫ তাৰিখৰ পৰা ০৮ মাৰ্চ ২০২৬ তাৰিখৰ ভিতৰত অনুষ্ঠিত বাছনি পৰীক্ষাত দ্বিতীয়বাৰৰ বাবে লোক গীত (জিকিৰ) শাখাত বৃত্তিৰ বাবে নিৰ্বাচিত হৈ অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। নাবিহাই ইতিমধ্যে জাপান কেৰাটে এছ’চিয়েচনৰ দ্বাৰা মুম্বাইত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় কেৰাটে কলাৰ পৰীক্ষাত ব্লেক বেল্টসহ প্ৰথম স্থান পাবলৈ সক্ষম হৈছে। স্থানীয় শুভাকাংক্ষী ৰাইজে নাবিহাৰ এই উন্নত প্ৰদৰ্শনত উৎফুল্ল হৈ ভৱিষ্যতে যাতে আৰু উন্নত প্ৰদৰ্শনৰ বাবে শুভাশিষ জনাইছে।

সঁফুৰা বৃত্তি পৰীক্ষাত হিমাংশু ডেকাৰ সাফল্য

দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৭ এপ্ৰিল ঃ সদ্য ঘোষিত ২০২৫-২৬ বৰ্ষৰ সঁফুৰা বৃত্তি পৰীক্ষাত নলবাৰী জিলাৰ টিহু শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ দশম শ্ৰেণীৰ ছাত্ৰ হিমাংশু ডেকাই সদৌ অসম ভিত্তিত নৱম স্থান দখল কৰি বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উল্লেখ্য যে বিগত ২০২১-২২ বৰ্ষত প্ৰাথমিক শাখাত হিমাংশুৱে অসমৰ ভিতৰতে প্ৰথম স্থান পাবলৈ সক্ষম হৈছিল।

ভাঙি পৰিল কাছাৰৰ হাৰাং নদীৰ ফুটব্ৰিজ

নদীত জঁপিয়াই প্ৰাণ ৰক্ষা কেইবাজনৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, শিলচৰ, ২৭ এপ্ৰিল ঃ অৱশেষত ভাঙি পৰিল কাছাৰ জিলাৰ বৰখলা সমষ্টিৰ ৰংগৰ-ভাংগৰপাৰ সংযোগী ফুটব্ৰিজ। ইয়াৰ ফলত জনজীৱন ব্যাহত হৈ পৰিছে। দেওবাৰে নিশা হঠাৎ ৰংগৰ-ভাংগাৰপাৰ ফুটব্ৰিজ নদীত ভাঙি পৰে। ইয়াৰ ফলত ফুটব্ৰিজত থকা একাংশ লোকে নদীত জঁপিয়াই প্ৰাণ ৰক্ষা কৰে। দলংখন ভাঙি পৰাৰ সময়ত তাত থকা লোকসকলে নদীত জঁপিয়াই সাঁতুৰি ৰক্ষা পৰে, যাৰ ফলত কোনো লোক হতাহত হোৱা নাই। যোৱা কিছুদিন ধৰি দলংখনৰ এটা ফাল প্ৰায় জৰাজীৰ্ণ অৱস্থাত আছিল। এনে পৰিস্থিতিত স্থানীয় ৰাইজে নিজৰ জীৱনকো তুচ্ছ কৰি যাতায়াত কৰিছিল। দেওবাৰৰ নিশা কেইবাজনো লোক পাৰ হৈ থকাৰ সময়তে দলংখন ভাঙি পৰে। সৌভাগ্যবশত, দলঙৰ ওপৰত থকা লোকসকলে নদীৰ পানীত জঁপিয়াই কোনোমতে প্ৰাণ ৰক্ষা কৰাত কোনো হতাহতিৰ খবৰ পোৱা হোৱা নাই। এই ঘটনাৰ ফলত অঞ্চলটোৰ প্ৰায় পাঁচ হাজাৰ লোক বিচ্ছিন্ন হৈ পৰিছে। ভাংগাৰপাৰৰ হাৰং নদীৰ মূল দলংখন ভাঙি যোৱাৰ ফলত জনমানসত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। যোৱা নিশাৰ পৰা অঞ্চলটোৰ সাধাৰণ জনতাৰ চলাচল সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। দলংখন ভাঙি পৰাত স্কুল আৰু কলেজলৈ যোৱা ছাত্ৰ-ছাত্ৰী, ৰোগী, কৰ্মৰত লোকসকলে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে। স্থানীয় ৰাইজে জনোৱা মতে, দলংখন বহু দিন ধৰি বিপদসংকুল অৱস্থাত আছিল আৰু প্ৰশাসনক বাৰে বাৰে জনোৱা স্বত্ত্বেও কোনো ব্যৱস্থা লোৱা হোৱা নাছিল। বিশেষকৈ বিক্ৰমপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু দৈনন্দিন যাত্ৰীসকল অধিক অসুবিধাৰ সন্মুখীন হৈছে। শীঘ্ৰে এখন স্থায়ী আৰু নিৰাপদ দলং নিৰ্মাণ কৰি যাতায়ত ব্যৱস্থা স্বাভাৱিক কৰাৰ দাবী জনাইছে অঞ্চলবাসীয়ে।

৪ মে’ পুৱা ৮ বজাৰ পৰা হ’ব ভোট গণনা

গোৱালপাৰাত ব্যাপক প্ৰস্তুতি

দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২৭ এপ্ৰিল ঃ অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ভোট গণনা অহা ৪ মে’ তাৰিখে পুৱা ৮ বজাৰ পৰা আৰম্ভ হ’ব। গোৱালপাৰা জিলাৰ লগতে সমগ্ৰ ৰাজ্যত একেলগে আৰম্ভ হ’ব এই গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া। গোৱালপাৰা জিলাত ভোট গণনাৰ বাবে আয়ুক্তৰ কাৰ্যালয় চৌহদত অৱস্থিত মাল্টিপাৰ্পাছ হলক কেন্দ্ৰ হিচাপে নিৰ্বাচন কৰা হৈছে। ইতিমধ্যে জিলা প্ৰশাসনে সকলো ধৰণৰ প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। ভোট গণনাক সুশৃংখল আৰু নিৰ্ভুলভাৱে সম্পন্ন কৰাৰ লক্ষ্যৰে নিযুক্ত বিষয়া-কৰ্মচাৰীসকলৰ বাবে প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ কৰা হৈছে। বিশেষকৈ মাইক্ৰ’ অবজাৰ্ভাৰ, কাউণ্টিং চুপাৰভাইজাৰ আৰু কাউণ্টিং এচিচটেণ্টসকলক লৈ পৰ্যায়ক্ৰমে এই প্ৰশিক্ষণ অনুষ্ঠিত কৰা হৈছে। উল্লেখযোগ্য যে গোৱালপাৰা জিলাৰ চাৰিওটা বিধানসভা সমষ্টিৰ ভোট গণনা একেটা স্থানতেই সম্পন্ন হ’ব, যাৰ বাবে নিৰাপত্তা ব্যৱস্থাও কটকটীয়া কৰা হৈছে। ৪ মে’ত প্ৰকাশ পাব জনতাৰ ৰায়- সকলোৱে চকু এতিয়া সেই দিনটোলৈ।

নগাঁৱত দুজনকৈ কাৰাবন্দীৰ ৰহস্যজনক মৃত্যুক লৈ তীব্ৰ প্ৰতিক্ৰিয়া মাছ’ৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৭ এপ্ৰিল ঃ প্ৰায় একে সময়তে নগাঁও জিলাৰ নগাঁও বিশেষ কাৰাগাৰ আৰু নগাঁও কেন্দ্ৰীয় কাৰাগাৰত ২৫ এপ্ৰিলৰ পুৱতি নিশা দুজনকৈ কাৰাবন্দীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়া আৰু গভীৰ উদ্বেগ প্ৰকাশ কৰিছে মানৱ অধিকাৰ সংগ্ৰাম সমিতি চমুকৈ মাছ’ৰে। মাছ’ৰ অধ্যক্ষ বুবুমণি গোস্বামী, কাৰ্যকৰী অধ্যক্ষ লক্ষীপ্ৰসাদ ডেকা আৰু সচিবপ্ৰধান ৰিতুল বৰুৱাৰ হৈ প্ৰচাৰ সচিব জিতুমণি নাথে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত কয় জিলাখনৰ দুখন কাৰাগাৰত দুজনকৈ কাৰাবন্দীৰ একে সময়তে মৃত্যু ঘটা ঘটনাটো একেবাৰে সহজ কথা নহয়। নিশ্চিতভাৱে ইয়াৰ আঁৰত কিবা গভীৰ ৰহস্য থাকিব পাৰে। তদুপৰি কাৰাগাৰ কৰ্তৃপক্ষৰ চূড়ান্ত অৱহেলাৰ বাবেও এনে ধৰণৰ ঘটনা সংঘটিত হ’ব পৰা অৱকাশ আছে। সেয়ে এই ৰহস্য জনক ঘটনাৰ প্ৰকৃত সত্যটো পোহৰলৈ অহাৰ স্বাৰ্থত এক উচ্চ পৰ্যায় আৰু নিৰপেক্ষ তদন্তৰ দাবী কৰে মানৱ অধিকাৰ সংগঠনটোৱে। এই সংক্ৰান্তত অসম ৰাজ্যিক মানৱ অধিকাৰ আয়োগক এক তদন্ত কৰিবলৈকো ‘মাছ’ৰে আবেদন জনায়। উল্লেখযোগ্য যে, নগাঁও কেন্দ্ৰীয় কাৰাগাৰত ৰহা থানাৰ ১৭৩/২০২৫ নং গোচৰ সংক্ৰান্তে হাজোতী খাটি থকা ৰহা ৰজাগাঁৱৰ জিতুমনি কোঁৱৰ(৩৫) আৰু হোজাই জিলাৰ লংকা থানাৰ গোচৰ নং-৪৯/২০২৬ সংক্ৰান্তে নগাঁও বিশেষ কাৰাগাৰত কয়দীৰূপে কাৰাবাস খাটি থকা হোজাই জিলাৰ পুব উদালি গাঁৱৰ ৰূপসিং ডেৰা (৩৫) নামৰ এইদুয়োগৰাকী কাৰাবন্দীৰে যোৱা ২৫ এপ্ৰিলৰ পুৱতি নিশা ৰহস্যজনক ভাৱে মৃত্যু হৈছিল।

দৰঙৰ ঔতলা বেছিমাৰীত দেউল ভেটি, মগৰ প্ৰতিষ্ঠা, স্থায়ী দেউল গৃহৰ দ্বাৰ উন্মোচন

দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৭ এপ্ৰিল ঃ দৰঙী কোচ ৰজা চন্দ্ৰনাৰায়ণৰ পৃষ্ঠপোষকতাত যোল্লশ শতিকাত স্থাপিত ঐতিহ্যমণ্ডিত ঔতলা সত্ৰৰ পূৰ্বজ সত্ৰাধিকাৰ সকলৰ উদ্যোগত বেছিমাৰী শিল বুঢ়া গোসাঁই স্থানত ঔতলা সত্ৰৰে সৈতে সংযোজিত প্ৰায় দুশ বছৰ পূৰ্বে স্থাপিত ব’হাগ মাহত অনুষ্ঠিত দেউলৰ স্থায়ী গৃহ, দেউল ভেটি (বেদী) উন্মোচন আৰু মগৰ প্ৰতিষ্ঠা অনুষ্ঠান আধ্যাত্মিক পৰিবেশত ৰবিবাৰে ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত আড়ম্বৰপূৰ্ণভাৱে সম্পন্ন হয়। বৰ ঔতলা সত্ৰৰ সত্ৰাধিকাৰ তথা ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বিনোদ কুমাৰ গোস্বামী আৰু পৰিয়ালবৰ্গৰ উদ্যোগত প্ৰয়াত সত্ৰাধিকাৰ পিতৃ হেমচন্দ্ৰ গোস্বামী শাস্ত্ৰী, প্ৰয়াত মাতৃ দুৰ্গেশ্বৰী গোস্বামী আৰু জ্যেষ্ঠ ভাতৃ শিক্ষাবিদ প্ৰয়াত ৰত্ন কান্ত গোস্বামীৰ পবিত্ৰ স্মৃতিত দেউল ভেটি(বেদী), মগৰ প্ৰতিষ্ঠা আৰু দেউল গৃহ স্থায়ীভাৱে বেছিমাৰী গাঁওবাসী ৰাইজৰ সহযোগত নিৰ্মাণ কৰি ৰাইজৰ আশিষ ধন্য হয়। পুৰোহিতৰ মন্ত্ৰোচাৰণ, আয়তিৰ উৰুলি আৰু ভক্ত প্ৰাণ ৰাইজৰ হৰিধ্বনিৰে আমন্ত্ৰিত বিশিষ্ট ব্যক্তি সকলৰ উপস্থিতিত দেউল ভেটি(বেদী) আৰু মগৰ প্ৰতিষ্ঠা কৰা স্থায়ী দেউল গৃহৰ দ্বাৰ উন্মোচন কৰে ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি জয়ন্ত কুমাৰ শৰ্মাই। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিশিষ্ট শিক্ষাবিদ, ঔতলা ৰত্নৰে বিভূষিত ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক, জ্ঞানম একাডেমী জুনিয়ৰ কলেজৰ অধ্যক্ষ ধনী ডেকাৰ সঞ্চালনাত অনুষ্ঠিত আধ্যাত্মিক সভাখনত কেবাজনো বিজ্ঞ ব্যক্তিয়ে দৰঙী দেউলৰ তাৎপৰ্য আৰু লোক সংস্কৃতিৰ ক্ষেত্ৰখনত প্ৰভাৱ সম্পৰ্কে আলোক পাত কৰে। বেছিমাৰী গাঁও উন্নয়ন সমিতি তথা বেছিমাৰী শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি নলিনী কুমাৰ চহৰীয়াই আঁত ধৰা সভাখনত টেঙাবাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী ভাৰতী দত্ত বৰুৱা, পুব মঙলদৈ আঞ্চলিক পঞ্চায়তৰ উপ-সভাপতি মিন্টু চহৰীয়া, অসমীয়া প্ৰতিদিন কাকতৰ কলাইগাঁৱৰ জ্যেষ্ঠ সাংবাদিক ধ্ৰুৱ প্ৰসাদ চহৰীয়া, ঔতলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধৰ্মেশ্বৰ ডেকা, বিশিষ্ট সমাজকৰ্মী, দণ্ডি ৰাম ডেকা, সত্য গোস্বামী, তৰুণ গোস্বামী, ৰীণা দেৱী, বিজেপিৰ দৰং জিলাৰ সভাপতি মকুণ্ড ডেকা, পশ্চিম মঙলদৈ মণ্ডল বিজেপিৰ সভাপতি জগদীশ ডেকা প্ৰমুখ্যে কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে উদ্যোক্তাসকলে আমন্ত্ৰিত অতিথিসকলক আদৰণি জনোৱাৰ লগতে স্থায়ী দেউল গৃহৰ নিৰ্মাণ দাঁতা সত্ৰাধিকাৰ বিনোদ কুমাৰ গোস্বামীক এটি স্মাৰক, গামোচা, চেলেং চাদৰেৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। আবেলি দলগাওঁৰ আমন্ত্ৰিত উন্মনা ডেকা আৰু সংগীবৃন্দই মন্দিৰ চৌহদত নাগৰা নাম প্ৰদৰ্শন কৰে। অনুষ্ঠানটিৰ সফল সামৰণিত সত্ৰাধিকাৰ পৰিয়ালবৰ্গই বেছিমাৰী গাঁওবাসী ৰাইজৰ সহযোগিতাৰ বাবে কৃতজ্ঞতা স্বীকাৰ কৰে।

সুৰামত্ত স্বামীৰ চুৰিকাঘাতত গুৰুতৰভাৱে আহত অংগনবাড়ী কেন্দ্ৰৰ সহায়িকা পত্নী

দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং, ২৭ এপ্ৰিল ঃ ডিব্ৰুগড় জিলাৰ টিংখাঙত আজি এগৰাকী অংগনবাড়ী সহায়িকা নিজ স্বামীৰ উপৰ্যুপৰি চুৰিকাঘাতত গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ’ব লগা হৈছে।জানিব পৰা মতে- দিল্লীবাৰী অঞ্চলৰ ঘাঁহীপথাৰ আদৰ্শ অংগনবাড়ী কেন্দ্ৰত দিনৰ প্ৰায় ১২.১৫ বজাত কেন্দ্ৰটোৰ সহায়িকা যমুনা ভূমিজৰ স্বামী লৱ ভূমিজে হঠাতে প্ৰৱেশ কৰি পত্নীৰ সৈতে বাক্ বিতণ্ডা কৰি থকা অৱস্থাতে পেনৰ পকেটত লুকুৱাই অনা এখন চোকা চুৰিৰে দেহৰ বিভিন্ন অংশত উপৰ্যুপৰি আঘাত কৰি পলায়ন কৰে। কেন্দ্ৰটোৰ এটা কক্ষৰ ভিতৰত দুৱাৰ খিৰিকী বন্ধ কৰি সহায়িকাগৰাকীক আক্ৰমণ কৰি পেলাই থৈ যায়। এই আক্ৰমণত কেন্দ্ৰটোৰ সহায়িকাগৰাকীৰ প্ৰাণ ৰক্ষা পৰে যদিও গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাত তেজেৰে লুতুৰি পুতুৰি হৈ কোনো মতে ৰাজপথৰ দাঁতিলৈ উলাই আহিবলৈ সক্ষম হয়। ইয়াৰ পাছতে স্থানীয় ৰাইজ আৰু অংগনবাড়ী কেন্দ্ৰটোৰ আন এটা কক্ষত থকা কেন্দ্ৰটোৰ কৰ্মীগৰাকীয়ে প্ৰত্যক্ষ কৰাত সহায়িকাগৰাকীক চিকিৎসালয়লৈ ১০৮ জৰিয়তে অতি সংকটজনক অৱস্থাত ৰাজগড় সামুহিক চিকিৎসালয় ভৰ্তি কৰা হয়। চিকিৎসালয়খনত প্ৰাথমিক চিকিৎসা প্ৰদান কৰি উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে। কেন্দ্ৰটোত নিয়োজিত কৰ্মীগৰাকী আন এটা কক্ষত কাৰ্যালয়ৰ এক জৰুৰী কামত ব্যস্ত থকাত ক্ষন্তেকতে সংঘটিত ঘটনাৰ বিষয়ে গম পোৱা নাপালে বুলি এই প্ৰতিবেদক এক স্বজমিন তদন্তত জানিবলৈ দিছে। কৰ্মীগৰাকীৰ মতে কেন্দ্ৰটোত পাঠদান শেষ হোৱাত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল ঘৰলৈ যোৱাৰ কিছু সময়ৰ পাছতে সহায়িকাগৰাকীক স্বামীয়ে পৰিকল্পিতভাৱে আক্ৰমণ কৰে। এই বৰ্বৰোচিত ঘটনাই সমগ্ৰ অঞ্চলটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে কেন্দ্ৰটোৰ সহায়িকা পত্নীক পৰিবাৰিক কাৰণত মদ্যপায়ী স্বামীয়ে হত্যা কৰাৰ উদ্দেশ্যে চুৰিকাঘাত কৰে। অভিযোগ মতে অংগনবাড়ী কেন্দ্ৰটোৰ সমীপতে থকা এটা চুলাই মদৰ ভাটিত মদ্যপান কৰি উন্মত্ত হৈ পত্নীৰ ওপৰত আক্ৰমণ কৰাৰ অভিযোগ উঠিছে। ঘটনাটোৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত চলোৱা বুলি জানিব পৰা গৈছে।

কাছাৰত ৫ গৰাকী আই পি এল জুৱাৰী গ্ৰেপ্তাৰ, উদ্ধাৰ নগদ ধনসহ ম’বাইল

দৈনন্দিন বাৰ্তাৰ সেৱা, শিলচৰ, ২৭ এপ্ৰিল ঃ আইপিএল ক্ৰিকেট মেচক কেন্দ্ৰ কৰি কাছাৰ জিলা আৰক্ষীয়ে অবৈধ জুৱাৰ বিৰুদ্ধে তীব্ৰ অভিযান চলাই ৫ গৰাকী জুৱাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে।কাছাৰ আৰক্ষীয়ে আই পি এল জুৱাৰ সন্দৰ্ভত নিৰ্ভৰযোগ্য তথ্যৰ ভিত্তিত ৫ গৰাকী জুৱাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত কেইজন হ’ল সমিৰ আজিজ, ছাইবুল হুছেইন লস্কৰ, জহিৰ হুছেইন লস্কৰ,ৰজত কৃষ্ণ সিং আৰু আফটাব লস্কৰ। ইয়াৰ ভিতৰত সমিৰ আজিজক আৰক্ষীয়ে আটক কৰিছিল। আৰক্ষীৰ জেৰাত সমীৰে অবৈধ আইপিএল ক্ৰিকেট মেচৰ সৈতে জড়িত আন কেইজনমানৰ নাম প্ৰকাশ কৰে। আৰক্ষীৰ এই অভিযানত জুৱাৰীসকলৰ পৰা মোবাইল ফোন, নগদ ধন আৰু বহু আপত্তিকৰ নথিপত্ৰ জব্দ কৰা হয়। নগদ ধন ৮০,২৩০ টকা, ৭ টা এণ্ড্ৰইড মোবাইল ফোন, এখন বহী, য’ত আই পি এল জুৱাৰ গণনা আছে আৰু আই পি এল জুৱাৰ সৈতে জড়িত ৪টা গণনা পত্ৰ। এইদিনা কাছাৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰজত কুমাৰ পলে জনোৱা মতে, অভিযুক্ত ব্যক্তিসকলৰ লগতে জব্দ কৰা সামগ্ৰীসমূহ আজি আদালতলৈ প্ৰেৰণ কৰা হয়। তদুপৰি শিলচৰ আৰক্ষী থানাত ৩৮৭/২০২৬ নং গোচৰ নথিভুক্ত কৰা হৈছে।

শিৱসাগৰৰ ডিমৌত পাষাণ মাতৃয়ে হত্যা কৰিলে নিজৰে চাৰিবছৰীয়া কন্যাক

দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমৌ, ২৭ এপ্ৰিল ঃ শিৱসাগৰ জিলাৰ ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত খৰাহাট চাহ বাগিচাৰ বাংলাগুৰিত এক লোমহৰ্ষক হত্যা কাণ্ড সংঘটিত হৈছে। নিজৰেই পাষান মাতৃয়ে চাৰিবছৰীয়া কন্যাক চোকা দাৰে দিঙি কাটি হত্যা কৰি নিজেও একেখন দাৰে দিঙি কাটি আত্মহত্যা কৰাৰ চেষ্টা চলায়। এই ঘটনাই সমগ্ৰ খৰাহাট চাহ বাগিচাত তীব্ৰ চাঞ্চল্য সৃষ্টি কৰিছে।জানিব পৰা মতে বাগিচাখনৰ বাংলা গুৰি লাইনৰ নিৱাসী কল্পনা কালান্দি নামৰ পাষাণ মাতৃগৰাকীয়ে স্বামী বাগিচাত কৰ্মৰত অৱস্থাতে কোনো কাৰণ নোহোৱাকৈ দিনৰ প্ৰায় ১১ মান বজাত কন্যা শিশুটিক দাৰে দিঙি কাটি হত্যা কৰ। পিছত নিজেও দিঙি কাটি আত্মহত্যাৰ চেষ্টা চলায়।এই ঘটনাৰ খবৰ পাই স্থানীয় লোকে তেওঁৰ স্বামী আৰু স্থানীয় আৰক্ষীক খবৰ দিয়ে। ততাতৈয়াকৈ উক্ত স্হানত উপস্থিত হোৱা স্বামীকো কাটিববলৈ উদ্যত হয় যদিও দৈৱক্ৰমে ৰক্ষা পৰে। ঘটনাৰ খবৰ পাই উক্ত স্থানত আৰক্ষী উপস্থিত হৈ মৃত শিশু আৰু তেজেৰে তুমুৰলি হৈ থকা হত্যা কাৰী মাতৃক ডিমৌ আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও হত্যাকাৰী মাতৃগৰাকীৰ অত্যধিক ৰক্তক্ষণ হোৱাৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষীৰ তত্বাৱধানতেই উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৈ প্ৰেৰণ কৰে। বৰ্তমান কল্পনা কালান্দি নামৰ পাষাণ মাতৃগৰাকী ডিমৌ আৰক্ষীৰ নজৰত আছে। ইতিমধ্যে ডিমৌ আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে আৰু আৰক্ষীয়ে হত্যা কালীয়ে ব্যৱহাৰ কৰা দা’ খনো জব্দ কৰিছে যদিও এই ঘটনাটো কি কাৰণে কি পৰিস্থিতিত সংঘটিত হল জানিব পৰা হোৱা নাই। ইফালে ঘটনাস্থলিত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকল উপস্থিত হৈ এই সমগ্ৰ ঘটনাৰ এক উচিত তদন্তৰ ব্যৱস্থা কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনায়।

আদানী বিমানবন্দৰ-মেকমাইট্ৰিপৰ অংশীদাৰিত্ব স্থাপন

আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীৰ বাবে বজাৰৰ ক্ষেত্ৰত আগতীয়াকৈ অনলাইন শুল্ক মুক্ত বুকিং সুবিধা মুকলি

দৈনন্দিন বাৰ্তাৰ সেৱা, আজাৰা, ২৭ এপ্ৰিল ঃ দেশৰ সৰ্ববৃহৎ ব্যক্তিগত বিমানবন্দৰ আৰু শুল্কমুক্ত পৰিচালক হিচাপে পৰিগণিত আদানী এয়াৰপৰ্ট হোল্ডিংছ লিমিটেড (এ এ এইচ এল) তথা দেশৰ আগশাৰীৰ অনলাইন ভ্ৰমণ কোম্পানী মেকমাইট্ৰিপে আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীৰ বাবে শুল্কমুক্ত বজাৰ কৰাটো অধিক সুবিধা আৰু লাভজনক কৰি তোলাৰ বাবে আজি অংশীদাৰিত্ব স্থাপনৰ কথা ঘোষণা কৰে। এই অংশীদাৰিত্বৰ অংশ হিচাপে বিমানবন্দৰত প্ৰস্থান আৰু আগমন, এই দুই স্তৰৰ ভ্ৰমণকাৰিৰ বাবে শুল্কমুক্ত প্ৰি-বুকিং সেৱা প্ৰৱৰ্তন কৰা হৈছে। ভ্ৰমণকাৰীসকলে তেওঁলোকৰ যাত্ৰা আৰম্ভ কৰাৰ পূৰ্বে ১০ বো অধিক খণ্ডৰ ১০০ বো অধিক ব্ৰেণ্ড আৰু ১৪০০০ তকৈ অধিক ষ্টক কিপিং ইউনিটৰ ক্ষেত্ৰত অনলাইন যোগে লাভ কৰা আটকধুনীয়া সুবিধা বা অফাৰসমূহ লৈ মেকমাইট্ৰিপত উপলব্ধ আগতীয়া বুকিং ব্যৱস্থাৰ মাজেৰে দ্ৰব্যসমূহ ব্ৰাউজ কৰিব পাৰে। এই সেৱা প্ৰস্থান আৰু আগমন ঘটা দুই ধৰণৰ আন্তঃৰাষ্ট্ৰীয় যাত্ৰীৰ বাবে উপলব্ধ, যাৰ ফলত তেওঁলোকে দ্ৰব্যসমূহ ক্ৰয়ৰ আগতীয়া পৰিকল্পনা কৰিব পাৰে। এই পদক্ষেপ যাত্ৰীসকলৰ বাবে বিমানবন্দৰত ব্ৰাউজিং আৰু শাৰী পাতি কটোৱা সময় হ্ৰাস কৰিবলৈ প্ৰস্তুত কৰা হৈছে। এই সুবিধাৰ জৰিয়তে ভ্ৰমণকাৰীসকলে আগতিয়াকৈ এই বিষয়ত জ্ঞাত হৈ দ্ৰব্যসমূহ পছন্দ কৰি থব পাৰে, যাৰ ফলত চেক-ইনৰ পৰা ব’ৰ্ডিং আৰু আগমন ঘটালৈ সামগ্ৰিক ভাৱে সেই সময়ছোৱাৰ সঠিক ব্যৱস্থাপনা হয়। আদানী এয়াৰপৰ্ট হোল্ডিংছ লিমিটেডে ইতিমধ্যে মুম্বাই, আহমেদাবাদ, লক্ষ্ণৌ, বাংগালুৰু, জয়পুৰ আৰু তিৰুৱনন্তপুৰমত শুল্কমুক্ত আউটলেট চলাই আহিছে। ভাৰতত আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণৰ ক্ষেত্ৰত ইতিমধ্যেই অধিক পচন্দৰ প্লেটফৰ্ম হিচাপে মেকমাইট্ৰিপে ক্ৰমান্বয়ে গুৰুত্ব লাভ কৰি আহিছে। শেহতীয়াভাৱে দুয়োটা কোম্পানীয়ে একেলগে আধুনিক ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীসকলক এক সংহত, মূল্য-চালিত অভিজ্ঞতা প্ৰদান কৰিবলৈ এক অনন্য স্থান লাভ কৰিছে। প্ৰসংগত আদানী এয়াৰপৰ্ট হোল্ডিংছ লিমিটেডৰ মুখ্য কাৰ্যবাহী বিষয়া অৰুণ বংশালে কয় যে ‘মেকমাইট্ৰিপৰ জৰিয়তে শুল্কমুক্ত প্ৰি-বুকিং সেৱা আৰম্ভ কৰি আমি আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীসকলৰ বাবে কেতবোৰ অনন্য সুবিধা প্ৰদান কৰিবলৈ সক্ষম হৈছো। এই সুবিধাৰ ফলত ভ্ৰমণকাৰীসকলে আগতীয়াকৈ ক্ৰয়ৰ পৰিকল্পনা কৰিব পাৰে, বিমানবন্দৰত সময় ৰাহি কৰিব পাৰে আৰু পছন্দ কৰা অফাৰসমূহত প্ৰৱেশ কৰি শুল্কমুক্ত অভিজ্ঞতাক সহজ আৰু অধিক পুৰস্কাৰজনক কৰি আনন্দ লাভ কৰিবলৈ সক্ষম হয়।’ অন্যহাতে মেকমাইট্ৰিপৰ সহ-প্ৰতিষ্ঠাপক তথা গ্ৰুপ মুখ্য কাৰ্যবাহী বিষয়া’ ৰাজেশ মাগ’ৰে কয় যে,’ ‘এই পদক্ষেপ অথবা সহযোগিতা আমাৰ কানেক্টেড ট্ৰিপছ কৌশলৰ এক স্বাভাৱিক সম্প্ৰসাৰণ নীতি, যাক এক নিৰৱচ্ছিন্ন আৰু আৰম্ভণিৰ পৰা শেহলৈ ভ্ৰমণ অভিজ্ঞতা গঢ়ি তোলাৰ ওপৰত ভিত্তি কৰি ৰূপায়ন কৰা হৈছে। এই সহযোগিতাৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীসকলে আগতীয়াকৈ শুল্কমুক্ত দ্ৰব্য বুকিং কৰি অধিক স্মাৰ্ট পৰিকল্পনাৰ জৰিয়তে জ্ঞাত সামগ্ৰী পছন্দ কৰি অনলাইন অফাৰ যুক্ত দ্ৰব্য সামগ্ৰী ক্ৰয় কৰাৰ বিশেষ সুবিধা প্ৰদান কৰে।’ উল্লেখ্য যে এই শুল্কমুক্ত প্ৰি-বুকিং সেৱা যোগ্য আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণকাৰীসকলৰ ক্ষেত্ৰত এএএইচএলৰ দ্বাৰা পৰিচালিত বিমানবন্দৰ সমূহত পিক-আপ সুবিধা সহ মেকমাইট্ৰিপ (এপ আৰু ম’বাইল ৱেব)ৰ জৰিয়তে উপলব্ধ হব। পৰৱৰ্তী পৰ্যায়ত পৰ্যায়ক্ৰমে অতিৰিক্ত সেৱা প্ৰৱৰ্তন কৰা হ’ব।

শংকৰদেৱ শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ বাৰ্ষিক সাধাৰণ সভা সম্পন্ন, নতুন বিষয়ববীয়া ঘোষণা

দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ গুৱাহাটী, ২৭ এপ্ৰিল ঃ শংকৰদেৱৰ শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ বাৰ্ষিক সাধাৰণ সভা শনিবাৰে অসম প্ৰকাশন ভাৰতীৰ সভাগাৰত গম্ভীৰ আৰু গৰিমাময় পৰিৱেশত সফলভাৱে অনুষ্ঠিত হয়। কাৰ্যসূচীৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অখিল ভাৰতীয় কাৰ্যকাৰিণী সদস্য উল্লাস কুলকৰ্ণীয়ে দীপ প্ৰজ্বলন কৰি সভাৰ শুভাৰম্ভ কৰে। সভাখনৰ সভাপতিত্ব কৰে ন্যাসৰ সভাপতি লেফটেনেণ্ট জেনেৰেল (অৱ.) ৰাণা প্ৰতাপ কলিতাই। এই উপলক্ষে প্ৰতিষ্ঠানখনৰ বাৰ্ষিক কাৰ্যবিৱৰণৰ বিস্তৃত প্ৰতিবেদন সচিব প্ৰফেছৰ সুদেম্না ভট্টাচাৰ্যই উপস্থাপন কৰে। কোষাধ্যক্ষ বিকাশ নাগপুৰীয়াই ২০২৫-২৬ বৰ্ষৰ আয়-ব্যয়ৰ বিৱৰণ দাঙি ধৰি আগন্তুক ২০২৬-২৭ বৰ্ষৰ বাজেটো সভাৰ আগত উপস্থাপন কৰে। সভাত ভাষণ আগবঢ়াই উল্লাস কুলকৰ্ণীয়ে ভাৰতীয় দৰ্শনৰ প্ৰাসংগিকতাৰ ওপৰত আলোকপাত কৰে আৰু শিক্ষা আৰু সংস্কৃতিৰ সমন্বয়ৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই অনুষ্ঠানত বিদ্যা ভাৰতী উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ সংগঠন মন্ত্ৰী কে. এন. ৰঘুনন্দন, বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী ডাঃ পৱন তিৱাৰী, ডাঃ জগদীন্দ্ৰ ৰায়চৌধুৰী, শিশু শিক্ষা সমিতি অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভাগৱতী আৰু মহাসচিব জগন্নাথ ৰাজবংশীকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। এই সভাতেই সৰ্বসন্মতিক্ৰমে প্ৰতিষ্ঠানখনৰ নতুন নেতৃত্বৰ নাম সমূহ ঘোষণা কৰা হয়। এই উপলক্ষে প্ৰফেছৰ গংগা প্ৰসাদ পৰসাইক প্ৰতিষ্ঠানখনৰ নতুন সভাপতি হিচাপে নিৰ্বাচিত কৰা হয় আৰু লেফটেনেণ্ট জেনেৰেল (অৱ.) ৰাণা প্ৰতাপ কলিতাক প্ৰতিষ্ঠানখনৰ চান্সেলৰ হিচাপে নিযুক্তি দিয়া হয়। এই সভাই কেৱল প্ৰতিষ্ঠানখনৰ সফলতাৰ প্ৰতিফলনেই নহয়, আগন্তুক সময়ৰ বাবে এক শক্তিশালী শৈক্ষিক দিশ আৰু নেতৃত্বৰ স্পষ্ট সংকেতো প্ৰদান কৰে।

MANAPPURAM FINANCE LTD.
CIN:L65910KL1992PLC006623,
Registered Office:W-4/638A,ManappuramHouse, P.O.Valapad,Thrissur-680567,Kerala,India

নিলামৰ জাননী

সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষভাৱে বন্ধক দিওঁতা ব্যক্তিসকলক ইয়াৰ দ্বাৰাই জাননী দিয়া হ’ল যে নিম্নোক্ত একাউণ্টত বন্ধকত ৰখা সোণৰ গহনাৰ ৰাজহুৱা নিলাম নিম্নোক্ত শাখাত 16.05.2026-ত পুৱা 10.00 বজাৰ পৰা অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে পঞ্জীকৃত পত্ৰযোগে জাননী দিয়া সত্বেও নিজৰ লোনৰ ধন পৰিশোধ কৰিবলৈ অপাৰগ হোৱা গ্ৰাহকসকলৰ সোণৰ গহনা আমি নিলাম কৰিবলৈ ওলাইছো। নিলামত নৈ যোৱা গহনা পুনৰ কোনো জাননী নিদিয়াকৈ আন যিকোনো দিনতে নিলাম কৰা হ’ব। নিলামৰ স্থান বা তাৰিখৰ ক্ষেত্ৰত ঘটা পৰিবৰ্তন (যদিহে ঘটে) নিলাম কেন্দ্ৰত আৰু আমাৰ ৱেবচাইটত প্ৰদৰ্শন কৰা হ’ব পুনৰ কোনো জাননী নিদিয়াকৈ।

বন্ধকীৰ তালিকা:-
কামৰূপ, বেলতলা তিনিআলি, 0132420700036691,

ওপৰত উল্লেখিত নিলামত অংশগ্ৰহণ কৰিবলৈ ইচ্ছুক ব্যক্তিসকলে তলত উল্লেখিত চৰ্তসমূহ মানি চলিব লাগিব:- আগ্ৰহী বিডাৰ সকলে নিলামৰ একেদিনাই এনইএফটি/আৰটিজিএচ-ৰ জৰিয়তে 10,000/- টকা ইএমডি হিচাবে জমা দিব লাগিব (অসফল বিডাৰ সকলক টকা ঘূৰাই দিয়া হব)। বিডাৰ সকলে বৈধ আইডি কাৰ্ডপেন কাৰ্ড লগত ৰাখিব লাগিব। অধিক তথ্যৰ বাবে অনুগ্ৰহ কৰি 9072607147 নম্বৰত যোগাযোগ কৰক।

কৰ্তৃত্বশীল বিষয়া
মণপ্পুৰম ফাইনেন্স লিমিটেডৰ বাবে

SHRIRAM Finance

পৰিশিষ্ট - ৪
ধাৰা - ৮ (১)

স্থাৱৰ সম্পত্তি দখলী জাননী

যিহেতুকে, নিম্ন স্বাক্ষৰকাৰী শ্ৰীৰাম ফাইনেন্স লিমিটেডৰ **ওদালগুৰি শাখাৰ** (উত্তৰ-পূব মাণ্ডলিক কাৰ্যালয়ৰ অধীনৰ) কৰ্তৃত্বশীল বিষয়াই দ্য ছিকিউৰিটাইজেছন এণ্ড ৰিকনষ্ট্ৰাকছন অফ ফাইনেন্সিয়েল এছেটছ এণ্ড এনফ’চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট, ২০০২ (২০০২ৰ ৫৪)ৰ আৰু ছিকিউৰিটা ইণ্টাৰেষ্ট (এনফ’ৰ্চমেণ্ট) ৰুলছ, ২০০২ৰ ১৩ (১২) নং ধাৰাৰ ৩নং বিধি অনুসৰি আমাৰ **ওদালগুৰি শাখাৰ** সৈতে ঋণী **১) অমুদ দৈমাৰী (আবেদনকাৰী), পিতা - বানেশ্বৰ দৈমাৰী, ঠিকনা - ভালুকমাৰী, ওদালগুৰি ৰৌতা, ডাক - ৰৌতা, থানা - ৰৌতা, জিলা - ওদালগুৰি, পিন - ৭৮৪৫০৮, অসম, ২) কমলকুমাৰ দৈমাৰী (সহ-আবেদনকাৰী), পিতা - ভবিৰাম দৈমাৰী, ঠিকনা - গাঁও - ২নং চুতীয়াপাৰা, গেৰুৱা, ডাক - গেৰুৱা, থানা - ৰৌতা, জিলা - ওদালগুৰি, পিন - ৭৮৪৫১৪, অসম আৰু ৩) ৰূপনাথ দৈমাৰী (জামিনদাৰ), মাৰফৎ - জয়ন্তী দৈমাৰী, ঠিকনা - গাঁও ঃ খাৰিমখা গেৰুৱা বজাৰৰ ওচৰত, ডাক - গেৰুৱা, থানা - ৰৌতা, জিলা - ওদালগুৰি, পিন - ৭৮৪৫১৪, অসম** -ক **১০-০১-২০২৫** তাৰিখে এখন দাবী জাননী জাৰি কৰা হৈছিল, জাননীত উল্লেখিত **০৮-০১-২০২৫** তাৰিখৰ হিচাপত **১,২৯,৮১,১১৯.৪৩ টকা (এক কোটি উনত্ৰিশ লাখ একাশী হাজাৰ এশ উনৈশ টকা আৰু তিয়াল্লিশ পইচা মাত্ৰ)**ৰ সৈতে অতিৰিক্ত সুতৰ পৰিমাণ জাননী প্ৰাপ্তিৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

যিহেতু ঋণীয়ে বেংকত থকা উল্লেখিত ঋণ পৰিশোধ কৰিব নোৱাৰিলে। সেয়েহে ঋণীৰ লগতে সাধাৰণ ৰাইজক এই জাননীৰ জৰিয়তে জনোৱা হয় যে নিম্ন স্বাক্ষৰকাৰী বিষয়াই যোৱা **২৫ এপ্ৰিল ২০২৬** তাৰিখত উল্লিখিত আইনৰ ১৩ৰ উপধাৰা (৪)ৰ লগতে ৮ আৰু ৯নং বিধিৰ ক্ষমতা প্ৰয়োগ কৰি তলত উল্লেখ কৰা সম্পত্তিসমূহৰ দখলীস্বত্ব গ্ৰহণ কৰিছে।

সেয়েহে ঋণীৰ লগতে সাধাৰণ ৰাইজক উক্ত সম্পত্তিসমূহৰ ক্ষেত্ৰত কোনো ধৰণৰ লেনদেন সম্পন্ন নকৰিবলৈ ইয়াৰে সতৰ্ক কৰা হ’ল। অন্যথা শ্ৰীৰাম ফাইনেন্স লিমিটেডে **০৮-০১-২০২৫** তাৰিখ মতে **১,২৯,৮১,১১৯.৪৩ টকা (এক কোটি উনত্ৰিশ লাখ একাশী হাজাৰ এশ উনৈশ টকা আৰু তিয়াল্লিশ পইচা মাত্ৰ)** আৰু ভৱিষ্যতৰ সুদসহ উক্ত ব্যক্তিৰ পৰা আদায় কৰিব।

সেয়েহে ঋণীৰ জ্ঞাতাৰ্থে জনোৱা হয় যে উল্লেখিত আইনৰ ১৩নং ধাৰাৰ (৮)নং উপধাৰাৰ আধাৰত সময় সুলভতাৰ প্ৰতি লক্ষ্য ৰাখি সুৰক্ষিত সম্পত্তিসমূহ পুনৰ উদ্ধাৰ কৰাৰ সুযোগ প্ৰদানৰ উদ্দেশ্যে এই জাননী প্ৰকাশ কৰা হৈছে।

স্থাৱৰ সম্পত্তিৰ তপচিল আৰু সুৰক্ষাৰ বিৱৰণ

১) ৰাজহ গাঁও - হাতীগড়, মৌজা-বৰচিলাঝাৰ, চক্ৰ - ওদালগুৰি, জিলা - ওদালগুৰি, অসমত অৱস্থিত দাগ নং - ১০ (পুৰণি)/৫৪৬ (নতুন), পট্টা নং - ৫৫ (পুৰণি) আৰু ১৯২ (নতুন)ৰ দ্বাৰা সামৰি লোৱা দস্তাবেজ অনুসৰি প্লটৰ এলেকা - ৪ বিঘা।
২) পট্টা পাছ বুক, ভাইড নং ১৯২
৩) টি.আই.আৰ. দখল অনুসৰি।
পূবে - কলনী ৰোড, পশ্চিমে - নিজৰ ভূমি, উত্তৰে - নিজৰ ভূমি, দক্ষিণে - নিজৰ ভূমি
৪) ভৌতিক পৰীক্ষা অনুসৰি ঃ
পূবে - ৰাস্তা, পশ্চিমে - নিজৰ ভূমি, উত্তৰে - নিজৰ ভূমি আৰু নেৰছন আনসকল, দক্ষিণে - নিজৰ ভূমি, এণ্ড্ৰেছ বসুমতাৰী।

তাৰিখ ঃ ২৫-০৪-২০২৬ কৰ্তৃত্বশীল বিষয়া
স্থান ঃ ওদালগুৰি, অসম শ্ৰীৰাম ফাইনেন্স লিমিটেড

SHRIRAM Finance

পৰিশিষ্ট - ৪
ধাৰা - ৮ (১)

স্থাৱৰ সম্পত্তি দখলী জাননী

যিহেতুকে, নিম্ন স্বাক্ষৰকাৰী শ্ৰীৰাম ফাইনেন্স লিমিটেডৰ **ধুবুৰী শাখাৰ** (উত্তৰ-পূব মাণ্ডলিক কাৰ্যালয়ৰ অধীনৰ) কৰ্তৃত্বশীল বিষয়াই দ্য ছিকিউৰিটাইজেছন এণ্ড ৰিকনষ্ট্ৰাকছন অফ ফাইনেন্সিয়েল এছেটছ এণ্ড এনফ’চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট, ২০০২ (২০০২ৰ ৫৪)ৰ আৰু ছিকিউৰিটা ইণ্টাৰেষ্ট (এনফ’ৰ্চমেণ্ট) ৰুলছ, ২০০২ৰ ১৩ (১২) নং ধাৰাৰ ৩নং বিধি অনুসৰি আমাৰ **ধুবুৰী শাখাৰ** সৈতে ঋণী **সুব্ৰত বৰুৱা, মাৰফৎ - মনোজ গোৱালা, ঠিকনা ঃ গাঁও - চেংমাৰী, থানা - কে/ভোটগাঁও, ডাক - কোকৰাঝাৰ, থানা - কোকৰাঝাৰ, পিন - ৭৮৩৩৭০, অসম** -ক **০৩-১২-২০২৫** তাৰিখে এখন দাবী জাননী জাৰি কৰা হৈছিল, জাননীত উল্লেখিত **১৫-১১-২০২৫** তাৰিখৰ হিচাপত **৬৪,৭২,০৪৫.১৮/- টকা (চৌষষ্ঠি লাখ বাসত্তৰ হাজাৰ পঞ্চলিছ টকা আৰু ওঠৰ পইচা)**ৰ সৈতে অতিৰিক্ত সুতৰ পৰিমাণ জাননী প্ৰাপ্তিৰ তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

যিহেতু ঋণীয়ে বেংকত থকা উল্লেখিত ঋণ পৰিশোধ কৰিব নোৱাৰিলে। সেয়েহে ঋণীৰ লগতে সাধাৰণ ৰাইজক এই জাননীৰ জৰিয়তে জনোৱা হয় যে নিম্ন স্বাক্ষৰকাৰী বিষয়াই যোৱা **২৫ এপ্ৰিল ২০২৬** তাৰিখত উল্লিখিত আইনৰ ১৩ৰ উপধাৰা (৪)ৰ লগতে ৮ আৰু ৯নং বিধিৰ ক্ষমতা প্ৰয়োগ কৰি তলত উল্লেখ কৰা সম্পত্তিসমূহৰ দখলীস্বত্ব গ্ৰহণ কৰিছে।

সেয়েহে ঋণীৰ লগতে সাধাৰণ ৰাইজক উক্ত সম্পত্তিসমূহৰ ক্ষেত্ৰত কোনো ধৰণৰ লেনদেন সম্পন্ন নকৰিবলৈ ইয়াৰে সতৰ্ক কৰা হ’ল। অন্যথা শ্ৰীৰাম ফাইনেন্স লিমিটেডে **১৫-১১-২০২৫** তাৰিখ মতে **৬৪,৭২,০৪৫.১৮/- টকা (চৌষষ্ঠি লাখ বাসত্তৰ হাজাৰ পঞ্চলিছ টকা আৰু ওঠৰ পইচা)** আৰু ভৱিষ্যতৰ সুদসহ উক্ত ব্যক্তিৰ পৰা আদায় কৰিব।

সেয়েহে ঋণীৰ জ্ঞাতাৰ্থে জনোৱা হয় যে উল্লেখিত আইনৰ ১৩নং ধাৰাৰ (৮)নং উপধাৰাৰ আধাৰত সময় সুলভতাৰ প্ৰতি লক্ষ্য ৰাখি সুৰক্ষিত সম্পত্তিসমূহ পুনৰ উদ্ধাৰ কৰাৰ সুযোগ প্ৰদানৰ উদ্দেশ্যে এই জাননী প্ৰকাশ কৰা হৈছে।

স্থাৱৰ সম্পত্তিৰ বিৱৰণ

ৰাজহ গাঁও - চেংমাৰী, মৌজা-ফুটকিবাৰী, ৰাজহ চক্ৰ - কোকৰাঝাৰ, এছআৰঅ’ - কোকৰাঝাৰ, জিলা - কোকৰাঝাৰ, অসমত অৱস্থিত ম্যাদি পট্টা নং - ১৭৭ৰ দাগ নং - ২৬৫ৰ দ্বাৰা সামৰি লোৱা দস্তাবেজ অনুসৰি প্লটৰ এলেকা - ০১ (এক) বিঘা ০১ (এক) কঠা ১৩ (তেৰ) লেচা জোখৰ ভূমি আৰু চাৰিসীমা ঃ **বিক্ৰী দলিল আৰু বৰ্তমানৰ দখল অনুসৰি পক্ষসমূহৰ সীমা ঃ** উত্তৰে - ঘটি দাস, দক্ষিণে - নায়াৰা পেট্ৰ’ল পাম্প, পূবে - হৰমোহন ৰয়, পশ্চিমে - পি.ডব্লিউ.ডি ৰোড।
বৰ্তমানৰ দখল অনুসৰি পক্ষসমূহৰ সীমা ঃ উত্তৰে - ঘটি দাস, দক্ষিণে - নায়াৰা পেট্ৰ’ল পাম্প আৰু গৰকাৰী নিজৰ ভূমি, পূবে - হৰমোহন ৰয়, পশ্চিমে - পি.ডব্লিউ.ডি ৰোড (ফুটকিবাৰী ৰোড)।

তাৰিখ ঃ ২৫-০৪-২০২৬ কৰ্তৃত্বশীল বিষয়া
স্থান ঃ ধুবুৰী, অসম শ্ৰীৰাম ফাইনেন্স লিমিটেড